অসম

ডিগবৈৰ অর্ধশতাধিক বাইক জব্দ

প্রকাশ: ১৭ নৱেম্বৰ ২০২৬, নিশা ১২:২৩



Digboi police seize over 50 motorcycles ridden without helmets (NewzNow)

ডিগবৈ আৰক্ষীয়ে আজি সন্ধিয়া হেলমেট পৰিধান নকৰাকৈ চলোৱা অর্ধ শতাধিক মটৰ চাইকেল আটক কৰে। দুর্ঘটনা ৰোধ কৰিবলৈ এই পদক্ষেপ গ্রহণ কৰে ডিগবৈ আৰক্ষীয়ে। উল্লেখ্য যে চৰকাৰী নির্দেশনা পালন কৰি ডিগবৈত বহু লোকে হেলমেট পৰিধান কৰি বাইক চলাই যদিও বহু লোকে হেলমেট পৰিধান নকৰাকৈ এতিয়াও বাইক চলাই আহিছে। ইপিনে আৰক্ষীয়ে দুর্ঘটনা ৰোধ কৰা স্বার্থত এনেদৰে অভিযান অব্যাহত ৰাখিব বুলি ডিগবৈ থানাৰ অচি প্রাঞ্জল চেতিয়াই জানিবলৈ দিয়ে। এনে তীব্রবেগী গাড়ীৰ বাবে বহুতো দুর্ঘটনাও সংঘটিত হোৱাৰ উদাহৰণ সর্বজনবিদিত।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/3659/digoboir-ardhosotadhik-baik-jobd